# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-11-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ পৰহিলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা এই নিৰ্বাচনৰ প্ৰচাৰ অভিযানত বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অন্যান্য মন্ত্ৰী, সাংসদ আৰু বিধায়কে এন ডি এৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈয়েও দলীয় প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ অব্যাহত ৰাখিছে। আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চামগুৰি সমষ্টিত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাও উপস্থিত থাকে। মন্ত্ৰী কেশৱ মহন্তইও চামগুৰিত মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। ধলাই সমষ্টিত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰচাৰ সভাত অংশ লয়। ইফালে কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ দলপতি গৌৰৱ গগৈয়ে বিহালীত প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনেও আজি সমষ্টিটোত প্ৰচাৰ চলায়। চামগুৰিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ হৈ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই প্ৰচাৰ চলায়। ৰাজ্যৰ উপ নিৰ্বাচন হ্বলগীয়া ৫ টা সমষ্টিৰ ভিতৰত আম আদমী পাৰ্টীয়ে বিহালী আৰু চামগুৰি এই দুটা সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে। আজি দলৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত আম আদমী পাৰ্টীৰ উপ সভাপতি অনুৰূপা ডেকাৰজাই দলৰ প্ৰাৰ্থী দুগৰাকীক জনসাধাৰণে উন্নয়ন আৰু সুপ্ৰশাসনৰ স্বাৰ্থত জয়ী কৰিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

000

ৱক অফ সংশোধনী বিধেয়কক লৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য চৰকাৰ আৰু সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনা কৰাৰ উদ্দেশ্যে গুৱাহাটীলৈ অহা যুটীয়া সংসদীয় সমিতিয়ে আজি গুৱাহাটীৰ হোটেল ভিভাণ্টাত এখন বৈঠকত মিলিত হয়। সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাৰ এই সংসদীয় সমিতিৰ আন সদস্য সকলৰ ভিতৰত সাংসদ অপৰাজিতা চাৰংগী আৰু দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াও আছে। উল্লেখযোগ্য যে, এই সমিতিৰ অধ্যক্ষ জগদম্বিকা পালৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰি বিৰোধী পক্ষৰ সদস্য সকলে আজিৰ এই বৈঠকত অংশগ্ৰহণৰ পৰা বিৰত থাকে। অৱশ্যে, এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলৰ নেতৃত্বত দলটোৰ এটা সজাতি দলে সংসদীয় সমিতিক বিয়লিৰ ভাগত সাক্ষাৎ কৰে।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা ১৫ নৱেম্বৰৰ পৰা শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত উৎসাহ উদ্দীপনা সৃষ্টি হৈছে। মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআঁটী, বেঙেণাআঁটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ আৰু দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহণীয়া পৰম্পৰাই আকৰ্ষিত কৰে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত এইবাৰো ৰাসৰ প্ৰস্তুতিৰ সমান্তৰালকৈ ৰাসলীলা আখৰা পূৰ্ণোদ্যমে চলি আছে। উজনি অসমৰ লখিমপুৰকে ধৰি আন কেইবাখনো ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃন্ময় মুৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়। হাউলীত ৰাস মহোৎসৱৰ আয়োজন সন্দৰ্ভত বৰপেটাৰ পৰা এয়া আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত ঃ

ভইছ

০০০

অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সপ্তবিংশ প্ৰতিষ্ঠা দিৱসৰ দুদিনীয়া কাৰ্যসূচীৰ আজি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে **বৰ্ণালী** শীৰ্ষক লোক নৃত্য আৰু গীতৰ এটা বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। বিয়লি ভাগত অসমৰ শিল্প, সংস্কৃতি, নাট্য আৰু ছবি জগতৰ সদ্যপ্ৰয়াত পুৰোধা ব্যক্তি কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিচাৰণ অনুষ্ঠান আৰু সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত হ'ব। কাইলৈ সন্ধিয়া চাৰে পাঁচ বজাত ধ্ৰুপদী নৃত্য অনুষ্ঠান- **নৃত্যৰংগ**ৰ লগতে ছয় বজাত পুৰণি দিনৰ গীতৰ সোঁৱৰণ আৰু প্ৰিয় শিল্পীৰ সৈতে কথোপকথনৰ অনুষ্ঠান সোণালী সুদিন অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০

সমাপ্ত